

सत्यमेव जयते



## ৰাজভৱন, অসম

# ৰাজ্যপাল অসমৰ প্ৰতিভা উদগনিমূলক আঁচনি ২০২৪-২৫

ৰাজভৱন, অসমে দুটা প্ৰতিস্থিত সংস্থাৰ অংশীদাৰিত্বত এখন সন্মানীয় জলপানি আঁচনিৰ বাবে অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা অসমৰ ইচ্ছুক যুৱক-যুৱতীসকলৰ পৰা আবেদন-পত্ৰ বিচাৰিছে। এই পদক্ষেপৰ লক্ষ্য হ'ল যোগ্য প্ৰাৰ্থীসকললৈ বিত্তীয় সাহায্য আৰু উন্নতমানৰ গুণগত প্ৰশিক্ষণ প্ৰদান কৰা যাতে তেওঁলোকে এগৰাকী অসামৰিক বিষয়া হোৱাৰ প্ৰচেষ্টাত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয়।

## কাৰ্যসূচীৰ অৱলোকন

- **অংশীদাৰী সংস্থাসমূহ :** পৱন চিন্তন ধাৰা আশ্ৰম আৰু আৰ্য প্ৰতিভা বিকাশ সংস্থান
- **পৃষ্ঠপোষকতাৰ সংখ্যা :**

  **অনলাইন প্ৰশিক্ষণ** ঃ ৫০০ গৰাকী প্ৰত্যাশী প্ৰাৰ্থী (পৱন চিন্তন ধাৰা আশ্ৰমৰ পৰামৰ্শত)

  **ডাইৰেক্ট মোড প্ৰশিক্ষণ ( দিল্লী এন চি আৰ )** ঃ ১০ গৰাকী প্ৰত্যাশী প্ৰাৰ্থী ( পৱন চিন্তন ধাৰা আশ্ৰমৰ পৰামৰ্শ আৰু পৃষ্ঠপোষকতাত)

  **ডাইৰেক্ট মোড প্ৰশিক্ষণ ( দিল্লী এন চি আৰ )** ঃ ২ গৰাকী প্ৰত্যাশী প্ৰাৰ্থী ( আৰ্য প্ৰতিভা বিকাশ সংস্থানৰ পৰামৰ্শত আৰু ৰাজ ভৱন পৃষ্ঠপোষকতাত)
- **বাছনি প্ৰক্ৰিয়া :** প্ৰাৰ্থীসকলক সদৌ অসম প্ৰতিভা সন্ধানী পৰীক্ষা আৰু তাৰ পিছত গ্ৰুপ কাউন্সেলিং আৰু ব্যক্তিগত সাক্ষাৎকাৰৰ জৰিয়তে বাছনি কৰা হ'ব।

  (**টোকা :** ৰাজভৱন, অসমৰ বিবেচনা অনুযায়ী পৃষ্ঠপোষকতা লাভ কৰা প্ৰত্যাশী প্ৰাৰ্থীৰ সংখ্যা ভিন্ন হ'ব পাৰে।)
- **পৰীক্ষা কেন্দ্ৰ :** দ্বাদশ আৰু স্নাতকৰ নম্বৰৰ ভিত্তিত তালিকাভুক্ত ৫,০০০ প্ৰাৰ্থীৰ বাছনি পৰীক্ষা ২০২৪ চনৰ ২০ অক্টোবৰত গুৱাহাটী, যোৰহাট, শিলচৰ আৰু বঙাইগাঁওত অনুষ্ঠিত কৰা হ'ব। অফলাইন প্ৰশিক্ষণৰ বাবে গ্ৰুপ কাউন্সেলিং আৰু ব্যক্তিগত সাক্ষাৎকাৰ কেৱল গুৱাহাটীত অনুষ্ঠিত কৰা হ'ব।

## আগ্ৰহী প্ৰাৰ্থীসকলৰ বাবে গুৰুত্বপূৰ্ণ তাৰিখ

| | | |
|---|---|---|
| আবেদন দাখিল কৰা আৰম্ভণিৰ তাৰিখ | ঃ | ২৭ ছেপ্টেম্বৰ, ২০২৪ |
| আবেদন দাখিল কৰাৰ অন্তিম তাৰিখ | ঃ | ৬ অক্টোবৰ, ২০২৪ |
| লিখিত পৰীক্ষা | ঃ | ২০ অক্টোবৰ, ২০২৪ |
| লিখিত পৰীক্ষাৰ ফলাফল ঘোষণা | ঃ | ২৭ অক্টোবৰ, ২০২৪ |
| গ্ৰুপ কাউন্সেলিঙৰ সম্ভাব্য তাৰিখ | ঃ | ১০ নৱেম্বৰ, ২০২৪ |
| সাক্ষাৎকাৰৰ সম্ভাব্য তাৰিখ | ঃ | ১১ নৱেম্বৰ, ২০২৪ |
| চূড়ান্ত ফলাফল ঘোষণা | ঃ | ১৮ নৱেম্বৰ, ২০২৪ |

এই লিংকৰ **https://gappy.assam.gov.in** জৰিয়তে সম্পূৰ্ণ আবেদন তথা নথিপত্ৰসহ ২৭ ছেপ্টেম্বৰ ২০২৪ তাৰিখৰ সন্ধিয়া ৫ বজাৰ পৰা ৬ অক্টোবৰ ২০২৪ তাৰিখৰ সন্ধিয়া ৫ বজাৰ ভিতৰত অনলাইন যোগে জমা দিব লাগিব।

**টোকা : লিখিত পৰীক্ষাৰ ফলাফল আৰু চূড়ান্ত ঘোষণা অফিচিয়েল ৱেবছাইটত উপলব্ধ হ'ব। নিৰ্দিষ্ট তাৰিখত ৱেবছাইটটো নিৰীক্ষণ আৰু পৰীক্ষা কৰাটো প্ৰাৰ্থীসকলৰ নিজা দায়িত্ব। এই দায়িত্ব ল'ব নোৱাৰিলে কোনো প্ৰাৰ্থীয়ে প্ৰাসংগিক সময়সীমাৰ বাধ্যবাধকতাৰ পৰা ৰেহাই নাপাব।**

## চৰ্ত আৰু নিয়মাৱলী

- ৰাজভৱন, অসম দ্বাৰা আয়োজিত কৰা স্ক্ৰিণিং টেষ্ট, গ্ৰুপ কাউন্সেলিং আৰু ব্যক্তিগত সাক্ষাৎকাৰত প্ৰদৰ্শন কৰা পাৰদৰ্শিতাৰ ওপৰত ভিত্তি কৰি বাছনি কৰা হ'ব। দ্বাদশ শ্ৰেণী আৰু স্নাতক পৰ্যায়ত পোৱা নম্বৰৰ শতাংসৰ ওপৰত ভিত্তি কৰি প্ৰাৰ্থীসকলক লিখিত পৰীক্ষাৰ বাবে বাছনি কৰা হ'ব।
- বাছনিকৃত প্ৰাৰ্থীসকলৰ পঞ্জীভুক্ত ই-মেইললৈ প্ৰৱেশ পত্ৰ প্ৰেৰণ কৰা হ'ব। প্ৰৱেশ পত্ৰৰ কোনো কায়িক প্ৰতিলিপি প্ৰদান কৰা নহ'ব। প্ৰাৰ্থীসকলে তেওঁলোকৰ প্ৰৱেশ পত্ৰ তেওঁলোকৰ ই-মেইলৰ পৰা ডাউনলোড কৰি তাৰ ছপা কপি সংগ্ৰহ কৰিব।
- অংশীদাৰী সংস্থাৰ সৈতে আলোচনা কৰি ৰাজভৱনে অফলাইন প্ৰশিক্ষণৰ বাবে প্ৰাৰ্থী বাছনি কৰা সম্পৰ্কত সকলো সিদ্ধান্ত গ্ৰহণ কৰিব।
- জলপানিয়ে অফলাইন প্ৰশিক্ষণ কাৰ্যসূচীৰ লগত জড়িত প্ৰশিক্ষণৰ ব্যয়, থকা-মেলা আৰু খাদ্যৰ ব্যয় সামৰি ল'ব। এই জলপানিয়ে সামৰি লোৱা ব্যয়ৰ বাহিৰে অন্যান্য যিকোনো অতিৰিক্ত ব্যয়, খৰচ-পাতি বা ব্যক্তিগত প্ৰয়োজনীয়তাৰ সম্পূৰ্ণ দায়িত্ব প্ৰাৰ্থীৰ নিজৰ হ'ব।
- প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহক প্ৰত্যক্ষভাৱে ধন প্ৰদান কৰা হ'ব; প্ৰাৰ্থীসকলক প্ৰত্যক্ষভাৱে কোনো ধন প্ৰদান কৰা নহ'ব।
- এই জলপানিৰ সুবিধা আনলৈ হস্তান্তৰযোগ্য নহয় আৰু ইয়াক বিলম্বিত কৰা বা নগদ ধনলৈ পৰিৱৰ্তন কৰিব নোৱাৰিব।
- এই ক্ষেত্ৰত যিকোনো ধৰণৰ বিবাদ অথবা খেলিমেলি নিষ্পত্তিৰ কৰ্তৃত্ব কেৱল ৰাজভৱন, অসমৰ থাকিব।

ইচ্ছুক শিক্ষাৰ্থীয়ে যিকোনো ধৰণৰ অনুসন্ধানৰ বাবে **pratibhaprotsahanyojana@gmail.com** লৈ মেইল কৰিব পাৰে।

**ৰাজভৱন, অসম**

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক